# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-05-2024
**Time :** 18-45 Hrs

# Assamese Evening Bulletin
::::::::::::::::::::::::::::::::::::::::::

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণলৈ মাজত ৫টা দিন বাকী থকা সময়তে ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। ধুবুৰীত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ।

২। কেইবাটাও স্থানত মুখ্যমন্ত্ৰী তথা বিজেপি নেতা হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্বাচনী প্ৰচাৰ। একেদৰে এ আই ইউ ডি এফৰ সাংসদ বদৰুদ্দিন আজমল, বিধায়ক অখিল গগৈ, বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰো প্ৰচাৰ সভাত অংশগ্ৰহণ।

৩। আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে অসমৰ মৌচুমী চক্ৰৱৰ্তীৰ দায়িত্ব গ্ৰহণ।

৪। শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

ৰাজ্যত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণলৈ মাজত ৫টা দিন বাকী থকা সময়তে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। দলীয় প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ বাবে ঠায়ে ঠায়ে প্ৰচাৰ সভা অনুষ্ঠিত কৰি জ্যেষ্ঠ নেতাসকলে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি ধুবুৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ প্ৰচাৰ চলায়। বালাপাৰাত নিৰ্বাচনী প্ৰচাৰত অংশ লৈ তেওঁ বিজেপি তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সমালোচনা কৰে। তেওঁ জনসভাত অংশগ্ৰহণ কৰি মহিলাসকলক প্ৰতিবছৰে ১ লাখ টকা, চৰকাৰী চাকৰিত ৫০ শতাংশ সংৰক্ষণ, ৪০০ টকালৈ মজুৰি বৃদ্ধিৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। লগতে তেওঁ দেশৰ নিবনুৱা সমস্যাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সমালোচনা কৰে। ইয়াৰ উপৰি কোঁচ-ৰাজবংশীসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰাটো কংগ্ৰেছে বিচাৰে বুলি তেওঁ কয়।

আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰত গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে একেগৰাকী প্ৰাৰ্থীৰ হৈ হাজোৰ কুলহাটীত প্ৰচাৰ চলায়। পুৱাৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বাক্সা জিলাৰ নিকাচিত বিজেপি সমৰ্থিত প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

একেগৰাকী প্ৰাৰ্থীৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই জিলাখনৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বাৰাপেটাত নিৰ্বাচনী প্ৰচাৰ চলায়। লাবদাংগুৰিত অনুষ্ঠিত নিৰ্বাচনী সভাতো তেওঁ অংশ লয়।

বৰপেটাৰ সৰভোগত বিজেপি নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়।

অগপ নেতা তথা মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তই জিলাখনৰ পাকাবেতবাৰী বিধানসভা সমষ্টিৰ খণ্ডকাৰপাৰা আৰু ভক্তৰডবাত আয়োজিত নিৰ্বাচনী সভাত অংশ লয়। তেওঁলোকে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা অগপ নেতা ফণীভূষণ চৌধুৰীৰ হৈ প্ৰচাৰ চলায়।

ইপিনে ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে গুৱাহাটী মহানগৰীৰ নুনমাটিত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

আনহাতে ধুবুৰী সমষ্টিৰ এ আই ইউ ডি এফ প্ৰাৰ্থী বদৰুদ্দিন আজমলে বিলাসীপাৰাত প্ৰচাৰ চলায়। বিধায়ক ছামছুল হুদা, কৰিমুদ্দিন বৰভূঞা আৰু আমিনুল ইছলামে এই নিৰ্বাচনী সভাত অংশ লয়।

একেদৰে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বৰপেটাৰ হাউলিত কোকৰাঝাৰ সমষ্টিৰ বিপিএফ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীৰ হৈ প্ৰচাৰ চলায়।

ইপিনে এ আই ইউ ডি এফৰ সাধাৰণ সম্পাদক ছিদ্দিক আলী ঠাকুৰীয়াই এখন প্ৰেছ বিজ্ঞপ্তিযোগে মুখ্যমন্ত্ৰীৰ ভুৱা প্ৰতিশ্ৰুতিত ভোল নাযাবলৈ ৰাজ্যৰ সংখ্যালঘু লোকসকলৈ আহ্বান জনাইছে।

000000

ৰাজ্যখনত তৃতীয় পৰ্যায়ত অহা ৭ মে'ত হবলগীয়া নিৰ্বাচনত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ ভিতৰত ছগৰাকী মহিলা প্ৰাৰ্থী আছে। আনহাতে, এইটো পৰ্যায়ত ৯ হাজাৰ ৫১৬ টা ভোটগ্ৰহণ কেন্দ্ৰত ৮১ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধইকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ইয়াৰ ভিতৰত ৪১ লাখৰো অধিক পুৰুষ, ৪০ লাখৰো অধিক মহিলা আৰু ১১১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা।

ৰাজ্যখনত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী এই ৪ টা সমষ্টিৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। গুৱাহাটী সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ইপিনে, বৰপেটা সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী তথা অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ দীপ বায়ন, চিপিআইএমৰ মনোৰঞ্জন তালুকদাৰ, আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল কালাম আজাদেও সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিব। বৰপেটা সমষ্টিত প্ৰায় ১৭ লাখ ভোটদাতা আছে। আনহাতে, কোকৰাঝাৰ লোকসভা সমষ্টিটোত এইবাৰ বিজেপি মিত্ৰজোঁটৰ হৈ ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী, কংগ্ৰেছৰ গৰ্জন মুছাহাৰী আৰু তৃণমূল কংগ্ৰেছৰ গৌৰীশংকৰ শৰণীয়াই প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে, ধুবুৰী সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ

অসম গণ পৰিষদৰ জাভেদ ইছলাম, কংগ্ৰেছৰ ৰকিবুল হুছেইন আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০০

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে মুঠ ভোটদানৰ হাৰ প্ৰকাশ কৰিছে। আয়োগে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ১-৪ শতাংশ আৰু দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৭-১ শতাংশ ভোটদান হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে কৈছে যে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ২-২ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ০-৭ শতাংশ মহিলা ভোটদাতা আৰু ৩১ দশমিক ৩-২ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। একেদৰে দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৯-৯ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ৪-২ শতাংশ মহিলা ভোটদাতা আৰু ২৩ দশমিক ৮-৬ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। আয়োগৰ তথ্য অনুসৰি প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ৰাজ্যত ভোটগ্ৰহণৰ হাৰ ৮১ দশমিক ৬ শতাংশ। আয়োগে কৈছে যে প্ৰথম পৰ্যায়ত ৰাজ্যৰ ৭৭ দশমিক ৬-৯ শতাংশ পুৰুষ ভোটদাতা, ৭৮ দশমিক ৮-১ শতাংশ মহিলা আৰু ২০ দশমিক ৩-৩ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। দ্বিতীয় পৰ্যায়ত ৰাজ্যৰ ৮১ দশমিক ১-৬ শতাংশ পুৰুষ ভোটদাতা আৰু ৮১ দশমিক ১-৮ শতাংশ মহিলা আৰু ১৬ দশমিক ৪-৭ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৩ টা সমষ্টিৰ বাবে অহা ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এই পৰ্যায়ত ৯৪ টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও মধ্য প্ৰদেশৰ বেতুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ চুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি হোৱাৰ পৰিপ্ৰেক্ষিতত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হবলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পাই। এই পৰ্যায়ত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ ভিতৰত ১২৩ গৰাকী মহিলা প্ৰাৰ্থী। প্ৰাৰ্থীসকলৰ ভিতৰত ৫৯১ গৰাকী স্নাতক বা স্নাতকোত্তৰ পৰ্যায়ৰ অৰ্হতা আছে। আনহাতে ৪১১ গৰাকী প্ৰাৰ্থী ২৫ৰ পৰা ৪০ বছৰ বয়সৰ ভিতৰৰ আৰু ৭১২ গৰাকী ৪১ৰ পৰা ৬০ৰ ভিতৰৰ।

উল্লেখযোগ্য যে, প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত দেশৰ ১০২টা সমষ্টিত আৰু দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত ৮৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। আনহাতে, প্ৰথম পৰ্যায়ত এহেজাৰ ৬২৫ গৰাকী আৰু দ্বিতীয় পৰ্যায়ত এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। তৃতীয় পৰ্যায়ত অসমত ৪ খন, বিহাৰৰ ৫, ছত্তিশগড়ৰ ৭, গোৱাৰ দুখন, গুজৰাটৰ ২৫, কৰ্ণাটকৰ ১৪, মধ্যপ্ৰদেশৰ ৮, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, পশ্চিমবংগৰ ৪ তথা গোৱা, দাদৰা আৰু নগৰ হাভেলী, দমন আৰু দিউৰ দুখনকৈ আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এইটো পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন  হোৱাৰ লগে লগে উত্তৰ পূৰৰ আটাইকেইখন ৰাজ্যকে ধৰি দেশৰ ১৬ খন কেন্দ্ৰীয় শাসিত অঞ্চল, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ, দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু দিউৰ নিৰ্বাচনী প্ৰক্ৰিয়া সামৰণি পৰিব।

০০০০০০

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণী বাতৰি বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰে। ১৯৯১ বেটছৰ ভাৰতীয় তথ্য সেৱাৰ বিষয়া শ্ৰীমতী চক্ৰৱৰ্তীয়ে প্ৰেছ ইনফৰমেচন ব্যুৰ' আৰু চেণ্ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনকে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ কেইবাটাও সংবাদ সংস্থাত কাৰ্যনিৰ্বাহ কৰিছিল। তিনিটা দশকৰো অধিক সময়ৰ চাকৰিকালত ইতিপূৰ্বে তেওঁ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগত কেবিনেট মন্ত্ৰীৰ ব্যক্তিগত সচিব হিচাপেও দায়িত্ব পালন কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান বসুধা গুপ্তাই কালি অৱসৰ গ্ৰহণ কৰাৰ পাছত ভাৰতীয় তথ্য সেৱাৰ বিষয়া তথা অসমৰ তেজপুৰৰ মৌচুমী চক্ৰৱৰ্তীয়ে আজি দায়িত্ব গ্ৰহণ কৰে।

০০০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - **জলবায়ু পৰিৱৰ্তনৰ মাজত কৰ্মক্ষেত্ৰৰ সুৰক্ষা আৰু শ্ৰমিকৰ স্বাস্থ্য সুনিশ্চিত কৰা**। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

দেশৰ ভিন্ন প্ৰান্তৰ লগতে ৰাজ্যতো আজি শ্ৰমিক দিৱস পালন কৰা হৈছে। শিৱসাগৰৰ আমগুৰিৰ টিফুক চাহ বাগিচাত কৃষি শ্ৰমিক, চাহ শ্ৰমিক আৰু ৰাইজৰ সহযোগত এই দিৱস পালন কৰা হয়। স্বচ্ছ অভিযান, পতাকা উত্তোলন, সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে দিৱসৰ সৈতে সংগতি ৰাখি এখন মুকলি সভা অনুষ্ঠিত হয়। একেদৰে নামনি-সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণকাৰী প্ৰতিষ্ঠানত কৰ্মৰত শ্ৰমিকসকলে এই দিৱস পালন কৰে। ইপিনে কামৰূপ জিলাৰ ৰঙিয়াৰ বাছ আস্থানত কেইবাটাও শ্ৰমিক সংগঠনৰ উদ্যোগত এই দিৱস পালন কৰা হৈছে। শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আমিনগাঁও, বকো ছয়গাঁৱতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। দৰং জিলাৰ মঙলদৈৰ খাৰুপেটীয়া বাছ আস্থানত পুৱাৰে পৰা ভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছ ৰোপণৰ লগতে শ্ৰমিকসকলে এটি সজাগতামূলক ৰেলী উলিয়াই। গোসাঁইগাঁৱত ভালেসংখ্যক শ্ৰমিকে ৰেলী উলিয়াই শ্ৰমিকসকলৰ অধিকাৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে।

চৰাইদেউ জিলাতো অসম চাহ মজদুৰ সংঘৰ সোণাৰী শাখাৰ উদ্যোগত মথুৰাপুৰ, মাইবেলা আৰু নিমনাগড় প্ৰাথমিক শাখাৰ সহযোগত এই দিৱস পালন কৰা হয়।

গুৱাহাটী মহানগৰৰ লগতে শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তত শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ ভোটগ্ৰহণলৈ  মাজত ৫ টা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হবলগীয়া সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰতিখন জিলাতে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ফ্লাইং স্কোৱাদ আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত অঞ্চলসমূহত নিৰ্বাচন বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি ভোটদান কৰাৰ বাবে ইচ্ছুক জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক ভোটদানৰ সুবিধা কৰি দিয়াৰ বাবেও উপযুক্ত ব্যৱস্থা লোৱা হ'ব। তদুপৰি ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। একেদৰে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰী আৰু ই ভি এম কঢ়িয়াই নিয়া বাহনসমূহত জি পি এছ সংলগ্ন কৰা হ'ব।

০০০০০০

বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। বড়োফাৰ স্মৃতিত শ্ৰদ্ধা জনাই আয়োজিত এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী আৰু কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বড়োফাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰীদৈমাৰীয়ে  কয় যে, বড়ো জনগোষ্ঠীৰ পিতৃ হিচাপে খ্যাত বড়োফাৰ সংগ্ৰাম আৰু মহৎ আদৰ্শ জনগোষ্ঠীটোৰ বাবে অনুপ্ৰেৰণা হৈ আহিছে। ইপিনে, বড়োফাৰ সমাধিস্থলিত এবছুৰ পতাকা উত্তোলন কৰি সংগঠনটোৰ সভাপতি দীপেন বড়োৱে নেতাগৰাকীৰ সংগ্ৰামী জীৱন আৰু জাতীয়তাবাদী আদৰ্শৰ কথা সোঁৱৰণ কৰে। এই অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উপেন্দ্ৰনাথ ব্ৰহ্মক ভাৰত ৰত্ন সন্মান প্ৰদান কৰি সন্মানিত কৰিবলৈ চৰকাৰক দাবী জনায়। মৃত্যু তিথি উপলক্ষে বড়োফাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাবলৈ অহা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি বড়োফাৰ সমাধিস্থল দতমাত উপস্থিত হৈ নেতাগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পন কৰে। ০০০০০

০০০০০০

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। গোলাঘাট জিলাৰ ডেৰগাঁৱত থকা হেমচন্দ্ৰ বৰুৱাৰ আবক্ষ্য মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভাৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। সন্ধিয়াৰ ভাগত কমল শৰ্মা সভাগৃহত মূল স্মৃতিচাৰণ অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ইপিনে, ওদালগুৰি জিলাৰ টংলা সাহিত্য সভাই আজি দিনজোৰা কাৰ্যসূচীৰে ভাষাৰ ওজাৰ স্মৃতিত শ্ৰদ্ধা তৰ্পন কৰে। টংলা সাহিত্য সভাৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা দত্তই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ভাষাৰ প্ৰতি

অৱদানৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। অনুষ্ঠানত অজিত কুমাৰ পাঠক আৰু টংলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী অধ্যাপিকা ডং সবিতা মজুমদাৰে অসমীয়া ভাষাৰ দুৰ্দিনত ভাষাৰ ওজাগৰাকীয়ে প্ৰতিবন্ধকতা আঁতৰাই মাতৃভাষাৰ প্ৰাণ পুনৰ প্ৰতিষ্ঠা কৰিছিল বুলি মন্তব্য কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত টংলা আৰু ওদালগুৰি সাহিত্য সভাৰ কেইবাগৰাকীও বিষয়ববীয়া আৰু সাহিত্যনুৰাগী ৰাইজ উপস্থিত থাকে। অসম সাহিত্য সভাই আজি ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ প্ৰাঙ্গনত ভাষাৰ ওজাগৰাকীৰ মৃত্যু দিৱস উপলক্ষে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰ জিত শৰ্মাৰ লগতে কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। আনহাতে আজি গুৱাহাটী মহানগৰীৰ বিবেকানন্দ কেন্দ্ৰত আয়োজিত অনুষ্ঠানত সাহিত্যিক ড০ অনিল কুমাৰ বড়োলৈ হেমচন্দ্ৰ বৰুৱা সাহিত্য সাধনা বঁটা আৰু সৰস্বতী বাগধবনী কেন্দ্ৰলৈ হেমকোষ প্ৰাণ দেবানন্দ বৰুৱা সমাজ চেতনা বঁটা আগবঢ়োৱা হয়।

উল্লেখযোগ্য যে অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ সেৱক হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰনয়ণ কৰা হেমকোষ অভিধান তেওঁৰ মৃত্যুৰ পাছত ১৯০০ চনত প্ৰকাশ কৰা হৈছিল। আনহাতে, তেঁওৰ জন্মদিন অৰ্থাৎ ১০ ডিচেম্বৰৰ দিনটো অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০০

বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয় খেলপথাৰত আজি দিনজোৰা কাৰ্যসূচীৰে বড়ো জনগোষ্ঠীৰ জাতীয় উৎসৱ ৰংজালি বৈশাগু পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত খাম ছিফুঙৰ তালে তালে বড়ো যুৱতীসকলে বাগৰুম্বা নৃত্য কৰা দৃশ্যই সকলোকে আপ্লুত কৰে। আবেলিৰ ভাগত বৈশাগু নৃত্য প্ৰতিযোগিতা, মুকলি সভা আৰু নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ০০০০০

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত